# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-06-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাক সাক্ষাৎ কৰি ৰাজ্যৰ স্বাস্থ্যখণ্ডত বিকাশৰ বাবে তেওঁৰ নিৰন্তৰ প্ৰচেষ্টাক ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণক নতুন দিল্লীত সাক্ষাৎ কৰি ৰাজ্যখনৰ বিকাশৰ গতি সম্পৰ্কে অৱগত কৰে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে কয়, যে নিজৰ সততা আৰু নিষ্ঠাৰে জনসেৱাৰ ক্ষেত্ৰত নজিৰ সৃষ্টি কৰা ৰাধাকৃষ্ণণক সাক্ষাৎ কৰাটো এটা শিক্ষণৰ অভিজ্ঞতা বুলি ক'ব পাৰি। মুখ্যমন্ত্ৰীয়ে অনাগত সময়তো উপ-ৰাষ্ট্ৰপতিগৰাকীৰ পৰামৰ্শ আৰু সহযোগিতা কামনা কৰে।

ইপিনে, ৰাজ্যখনক দেশৰ ক্ৰীড়াৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতা কামনা কৰিছে। মুখ্যমন্ত্ৰীয়ে আজি কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ তথা যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মাণ্ডাভিয়াক সাক্ষাৎ কৰি অসমৰ ক্ৰীড়াক্ষেত্ৰৰ আন্তঃগাঁথনি উন্নয়ন সন্দৰ্ভত আলোচনা কৰে।

00000

অহা ৫ জুনত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। খানাপাৰাৰ জ্যোতিবিষ্ণু সাংস্কৃতিক প্ৰেক্ষাগৃহত এই শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰা হ'ব বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নতুন দিল্লীত সাক্ষাৎ কৰাৰ পাছতে কালি এই কথা ঘোষণা কৰে।

বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি সংবাদ মাধ্যমৰ আগত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ সন্দৰ্ভত সদৰি কৰে। তেওঁ কয়, যে মুখ্যমন্ত্ৰী ড০ শৰ্মা আৰু দলৰ কেন্দ্ৰীয় নেতৃত্বই মন্ত্ৰীত্ব প্ৰদান সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব।

০০০

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে এমাজন আৰু চৰকাৰী ই-মাৰ্কেট প্লেচত ইয়াৰ বহুল প্ৰচাৰিত ইক' শ্বপ মুকলি কৰিছে। প্ৰান্তীয় সম্প্ৰদায়ৰ লোকসকলৰ দ্বাৰা স্থানীয়ভাৱে তৈয়াৰী জৈৱ-বৈচিত্ৰ্য সম্পৰ্কিত সামগ্ৰীসমূহ এখন বহল বজাৰৰ জৰিয়তে বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ বাবে এই পদক্ষেপ লোৱা হৈছে। এই ই-মাৰ্কেট প্লেচে কাজিৰঙাৰ সমৃদ্ধ ঐতিহ্য বহন কৰাৰ লগতে দাঁতিকাষৰীয়া গাঁৱৰ শিল্পী আৰু উৎপাদক গোটসমূহৰ বাবে এখন শক্তিশালী বজাৰ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে কাজিৰঙা ষ্টাফ ৱেলফেয়াৰ ছ'চাইটীয়ে পৰিচালনা কৰা এই ইক' শ্বপসমূহে আৰম্ভণিৰ দুবছৰৰ ভিতৰতে আশানুৰূপ অগ্ৰগতি লাভ কৰা পৰিলক্ষিত হৈছে। এই ইক' শ্বপে ২০২৫-২৬ বৰ্ষত ১ কোটি ৮৭ লাখ টকাৰ সামগ্ৰী বিক্ৰীৰে ২০২৪-২৫ বৰ্ষৰ ১ কোটি ২৪ লাখ টকাৰ সামগ্ৰী বিক্ৰীৰ অভিলেখ ভংগ কৰিছে।

০০০

চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ সহকাৰী উচ্চায়ুক্ত জিকৰুল হাছান ফাহাদে আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত দ্বিপাক্ষিক আলোচনাত মিলিত হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু বাংলাদেশৰ উচ্চ শিক্ষানুষ্ঠানসমূহৰ মাজত শৈক্ষিক আদান-প্ৰদান, যুটীয়া গৱেষণা আদি কৰাৰ বাবে এই কাৰ্যসূচী অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য জিতেন হাজৰিকাৰ নেতৃত্বত অনুষ্ঠিত আলোচনাত বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড০ পৰমানন্দ সোণোৱাল, অধ্যাপক দেৱ কুমাৰ চক্ৰৱৰ্তী, সুৰজিত বৰকটকী আৰু অংকুৰ ভৰালীয়ে অংশগ্ৰহণ কৰে।

০০০

১০ খন ৰাজ্যৰ ২৪ খন ৰাজ্যসভা আসনৰ দ্বিবাৰ্ষিক নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে। অন্ধ্ৰপ্ৰদেশ, গুজৰাট আৰু কৰ্ণাটকৰ ৪ খনকৈ, ৰাজস্থান আৰু মধ্যপ্ৰদেশত ৩ খন, ঝাৰখণ্ডত দুখন আৰু মণিপুৰ, মেঘালয়, অৰুণাচল প্ৰদেশ আৰু মিজোৰামৰ একোখনকৈ আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। চলিত মাহত ৰাজ্যসভাৰ সদস্য হিচাপে কাৰ্যকাল সম্পূৰ্ণ হ'বলগীয়া নেতাসকলৰ ভিতৰত প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা জে ডি এছৰ নেতা এইচ ডি দেৱেগৌড়া, কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ নেতা জৰ্জ কুৰিয়ান আৰু ৰৱনীত সিং, ৰাজ্যসভাৰ বিৰোধী পক্ষৰ নেতা তথা কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে অন্যতম।

ৰাজ্যসভাৰ দ্বিবাৰ্ষিক নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ আজিৰে পৰা ৮ জুনলৈ দাখিল কৰিব পাৰিব। ১৮ জুনত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু সেইদিনাই ভোটগণনা কৰা হ'ব।

০০০

দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি তিতাবৰ সমজিলা প্ৰশাসনৰ উদ্যোগত তিতাবৰ টাউন হাইস্কুলত মানসিক স্বাস্থ্য আৰু চাপ নিয়ন্ত্ৰণ সন্দৰ্ভত এটা কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত তিতাবৰ মহকুমা অসামৰিক চিকিৎসালয়ৰ চিকিৎসক ডাঃ সুদীপ্ত বৰাই মানসিক স্বাস্থ্যৰ বিভিন্ন দিশ সম্পৰ্কে বক্তব্য আগবঢ়ায়। ছাত্ৰ-ছাত্ৰীসকলক মানসিক স্বাস্থ্যৰ বিষয়ে মুকলিকৈ আলোচনা কৰিবলৈও আজিৰ অনুষ্ঠানত উৎসাহিত কৰা হয়।

০০০

ঃঃ সমাপ্ত ঃঃ